**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 25-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যাত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি ভাষণ দিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

৩। আজি ৰাষ্ট্ৰীয় ভোটদাতা দিৱস। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে শুদ্ধ ভোটাৰ তালিকা গণতন্ত্ৰৰ আধাৰ বুলি প্ৰকাশ কৰিছে।

৪। পঞ্চায়তীৰাজ মন্ত্ৰ্যালয়ে আজি নতুন দিল্লীত নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলক সম্বৰ্ধনা জনাব। *আৰু*

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যাত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি ভাষণ দিব। সন্ধিয়া ৭ বজাৰ পৰা এই ভাষণ আকাশবাণীৰ সকলো নেটৱৰ্ক আৰু দূৰদৰ্শনৰ সকলো চেনেল যোগে সম্প্ৰচাৰ কৰা হ'ব। দূৰদৰ্শনত হিন্দী আৰু ইংৰাজীত এই ভাষণ প্ৰচাৰৰ পাছতে আঞ্চলিক ভাষাতো এই ভাষণ প্ৰচাৰ কৰা হ'ব। ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ আকাশবাণী গুৱাহাটীয়ে নিশা চাৰে ন বজাত প্ৰচাৰ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩০ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

আজি ৰাষ্ট্ৰীয় ভোটদাতা দিৱস। গণতন্ত্ৰক উদযাপন আৰু দেশৰ নিৰ্বাচন প্ৰক্ৰিয়াত প্ৰতিজন নাগৰিকৰ অংশগ্ৰহণক মান্যতা দি প্ৰতি বছৰে ২৫ জানুৱাৰীৰ দিনটো ৰাষ্ট্ৰীয় ভোটদাতা দিৱস হিচাপে উদযাপন কৰা হয়। উল্লেখযোগ্য যে, ১৯৫০ চনৰ এই দিনটোতে ভাৰতীয় সংবিধানৰ ৩২৪ নম্বৰ অনুচ্ছেদৰ অধীনত ভাৰতীয় নিৰ্বাচন আয়োগ গঠন হৈছিল। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- **মোৰ ভাৰত, মোৰ ভোট**। দেশৰ ১১ লাখ নিৰ্বাচনী বুথত জিলা পৰ্যায়ত জিলা নিৰ্বাচনী বিষয়া আৰু ৰাজ্যিক পৰ্যায়ত মুখ্য নিৰ্বাচনী বিষয়াসকলে আজি এই দিৱস উদযাপন কৰিব। ভাৰতীয় নিৰ্বাচন আয়োগে ৰাষ্ট্ৰীয় ভোটদাতা দিৱস উপলক্ষে কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিছে।

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে শুদ্ধ ভোটাৰ তালিকা গণতন্ত্ৰৰ আধাৰ বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুতৰ লক্ষ্যৰে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ আৰম্ভ হৈছিল, যাতে প্ৰকৃত ভোটদাতাৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হয় আৰু অযোগ্যসকলৰ নাম ইয়াৰ পৰা বাদ পৰে। ৰাষ্ট্ৰীয় ভোটদাতা দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰী কুমাৰে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ সফলভাৱে সম্পূৰ্ণ হৈছে আৰু বৰ্তমান ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এই প্ৰক্ৰিয়া নিয়াৰিকৈ চলি আছে। বিহাৰত চূড়ান্ত ভোটাৰ তালিকাৰ বিৰুদ্ধে এখনো আবেদন লাভ কৰা হোৱা নাই বুলি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰী কুমাৰে দেশৰ যুৱ ভোটদাতাসকলক তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰি আনকো নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণৰ বাবে অনুপ্ৰাণিত কৰিবলৈ আহ্বান জনায়।

ৰাষ্ট্ৰীয় ভোটদাতা দিৱস উপলক্ষে নিৰ্বাচন আয়োগে নতুন দিল্লীত আয়োজন কৰা অনুষ্ঠানত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে ভোটাৰ তালিকাত নতুনকৈ নাম অন্তৰ্ভুক্ত হোৱা যুৱ প্ৰজন্মক ভোটাৰ ফটো পৰিচয় পত্ৰ প্ৰদান কৰিব। শ্ৰীমতী মুৰ্মুৱে বিভিন্ন শাখাৰ শ্ৰেষ্ঠ নিৰ্বাচন বিষয়ক কামকাজৰ বঁটাসমূহ প্ৰদান কৰিব। অনুষ্ঠানত আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুনৰাম মেঘৱাল, মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ উপস্থিত থাকিব।

০০০০০

পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি নতুন দিল্লীত নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলক সম্বৰ্ধনা জনাব। এই প্ৰতিনিধিসকলক গণৰাজ্য দিৱসৰ পেৰেডৰ সাক্ষী হোৱাৰ বাবে বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। আমন্ত্ৰণ লাভ কৰা ব্যক্তিসকলৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ পূৰ্নৰূপায়ণ কৰা পঞ্চায়তসমূহৰ খণ্ড আৰু জিলা পঞ্চায়ত সভাপতিকে ধৰি প্ৰায় ২৪০ জন গাঁওপ্ৰধান আছে। এই অনুষ্ঠানতে পঞ্চায়তীৰাজ মন্ত্ৰালয়ে ইউনিচেফৰ সহযোগত বিকশাই তোলা **পঞ্চম** শীৰ্ষক চেটবোট মুকলি কৰা হ'ব। এই পঞ্চম এপৰ জৰিয়তে পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধি, বিষয়া তথা নাগৰিকসকলে প্ৰত্যক্ষভাৱে আৰু সময়মতে ডিজিটেল পদ্ধতিৰে মত বিনিময় কৰিব পাৰিব। তদুপৰি ইয়াৰ জৰিয়তে চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ তথ্য, সমীক্ষা, তথা পঞ্চায়ত সেৱাৰ অন্যান্য তথ্যসমূহ সহজে লাভ কৰিব পাৰিব।

০০০০০

দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত কালি বাংলাদেশৰ ঢাকাত থকা ভাৰতৰ উচ্চায়োগে এটা অভ্যৰ্থনা অনুষ্ঠানৰ আয়োজন কৰে। বাংলাদেশত থকা ভাৰতীয় উচ্চায়ুক্ত প্ৰণয় বাৰ্মা আৰু তেওঁৰ পত্নী মনু বাৰ্মাই আমন্ত্ৰিত অতিথিসকলক আদৰণী জনায়। বাংলাদেশৰ অন্তৱৰ্তিকালীন চৰকাৰৰ বিদ্যুৎ শক্তি আৰু খনিজ মন্ত্ৰালয়ৰ পৰামৰ্শ দাতা ফৌজুল কবিৰ খানে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

অনুষ্ঠান সম্বোধন কৰি ভাৰতীয় উচ্চায়ুক্ত প্ৰণয় বাৰ্মাই কয়, যে ভাৰতে বাংলাদেশৰ সৈতে থকা দীৰ্ঘদিনীয়া অংশীদাৰিত্বক মূল্য দি অহাৰ লগতে দেশখনৰ জনসাধাৰণৰ ওচৰত থিয় দি আহিছে। বাংলাদেশৰ শান্তি, সমৃদ্ধি আৰু সফলতাৰ যাত্ৰা আগুৱাই যোৱাৰ বাবেও তেওঁ কামনা কৰে। ১৯৫০ চনৰে পৰা ভাৰতৰ সাংবিধানিক যাত্ৰাৰ কথা সুঁৱৰি শ্ৰী বাৰ্মাই কয়, যে ভাৰতে বাংলাদেশক অন্যতম গুৰুত্বপূৰ্ণ অংশীদাৰ হিচাপে বিবেচনা কৰি, দেশখনৰ সৈতে সাংস্কৃতিক সম্পৰ্ক আৰু মুক্তিযুদ্ধৰ সময়ত উভয় দেশৰ ত্যাগৰ জৰিয়তে ভাৰতে বৰ্তমান দেশৰ বৃহত্তম গণতন্ত্ৰ আৰু বিশ্ব অৰ্থনীতিৰ প্ৰধান শক্তি হ'বলৈ গৈ আছে।

ooooo

আকাশবাণীৰ বাতৰি বিভাগক ভোটদাতাৰ শিক্ষা সজাগতা অভিযানত বিশেষ ভূমিকা গ্ৰহণ কৰাৰ বাবে ইলেকট্ৰনিক ৰেডিঅ' শাখাত ২০২৫ বৰ্ষৰ মেডিয়া পুৰস্কাৰেৰে সন্মানিত কৰা হ'ব। নতুন দিল্লীত আজি আয়োজন কৰা ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বাতৰি বিভাগক এই পুৰস্কাৰ প্ৰদান কৰিব। এই পুৰস্কাৰে নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ আৰু সজাগতা সৃষ্টিৰ বাবে আকাশবাণীৰ বাতৰি বিভাগে গ্ৰহণ কৰা বিশেষ প্ৰয়াসকে সূচীত কৰিছে।

ooooo

প্ৰতিৰক্ষা দপ্তৰৰ ৰাজ্য মন্ত্ৰী সঞ্জয় শেঠ আৰু শিক্ষা ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধৰীয়ে কালি পঞ্চম বীৰগাঁথাৰ ১০০ গৰাকী বিজয়ীক সম্বৰ্ধনা জনায়। ৰাষ্ট্ৰীয় পৰ্যায়ত তিনিটা শাখাত দেশৰ ১৮ খন ৰাজ্যৰ ৯১ খন বিদ্যালয়ৰ পৰা অধীনত বিজয়ীসকলক নিৰ্বাচিত কৰা হয়। প্ৰতিগৰাকী বিজয়ীয়ে নগদ ১০ হাজাৰ টকাকৈ লাভ কৰে। তেওঁলোকে কৰ্তব্যপথত আয়োজিত গণৰাজ্য দিৱসৰ  পেৰেডত  বিশেষ অতিথি হিচাপে প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰিব। বীৰগাঁথাত এই বছৰ প্ৰায় এক লাখ ৯২ হাজাৰ বিদ্যালয়ৰ প্ৰায় এক কোটি ৯২ লাখ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। প্ৰতিৰক্ষা আৰু শিক্ষা মন্ত্ৰালয়ৰ যৌথ উদ্যোগত পঞ্চম বীৰগাঁথা বঁটা প্ৰদান কৰা হয়।

ooooo

ইউৰোপীয় আয়োগৰ সভাপতি উৰ্ছুলা ভ'ন দেৰ লেয়েন আৰু  আয়োগৰ উপসভাপতি তথা ইউৰোপীয় সংঘৰ বৈদেশিক পৰিক্ৰমা আৰু নিৰাপত্তা নীতিৰ শীৰ্ষ প্ৰতিনিধি কাজা কালাছ ভাৰত ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। এই ভ্ৰমণে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আশা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ইউৰোপীয় আয়োগৰ সভাপতিগৰাকী ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।  বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত পাৰস্পৰিক বিশ্বাস আছে। সমাগত ভাৰত-ইউৰোপীয় সংঘ শীৰ্ষ সন্মিলন আৰু সম্প্ৰতি চলি থকা মুক্ত বাণিজ্য চুক্তিৰ পৰিপ্ৰেক্ষিতত ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ এই সম্পৰ্কই বিশেষ তাৎপৰ্য বহন কৰিছে।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব।  ভাৰতে সম্প্ৰতি এই শৃংখলাত ২-০ৰ অগ্ৰগতি লাভ কৰিছে।

ooooo

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ আই চি চিয়ে সমাগত টি-২০ বিশ্বকাপৰ গ্ৰুপ-চিত বাংলাদেশৰ পৰিৱৰ্তে স্কটলেণ্ড থাকিব বুলি ঘোষণা কৰিছে। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা অহা ৭ ফেব্ৰুৱাৰীৰ পৰা ভাৰত আৰু শ্ৰীলংকাত অনুষ্ঠিত হ'ব। আই চি চিৰ মুখ্য কাৰ্যবাহী সঞ্জুগ গুপ্তাই পৰিষদৰ সদস্যসকলক আনুষ্ঠানিক পত্ৰযোগে এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰি কয়, যে বাংলাদেশে নিৰ্ধাৰিত খেলসমূহ ভাৰতৰ বাহিৰলৈ স্থানান্তৰৰ বাবে কৰা দাবী আই চি চিৰ নীতিৰ ভিতৰত নপৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত প্ৰতিযোগিতাত স্কটলেণ্ডক অন্তৰ্ভুক্ত কৰাৰ বাহিৰে আন কোনো বিকল্প নাছিল বুলি পত্ৰখনত উল্লেখ কৰা হয়। পত্ৰখনৰ এটা প্ৰতিলিপি বাংলাদেশ ক্ৰিকেট বোৰ্ডৰ সভাপতি তথা আই চি চিৰ সদস্য আমিনুল ইছলামলৈ প্ৰেৰণ কৰা হয়। ইয়াৰ পূৰ্বে ক্ৰিকেট বিশ্বৰ প্ৰশাসনিক সংস্থাই বাংলাদেশক ভাৰতত খেলাৰ সন্দৰ্ভত তেওঁলোকৰ স্থিতি বিবেচনা কৰিবলৈ সময় দিছিল। বিশ্বমানৰ এই প্ৰতিযোগিতাখনৰ মৰ্যদা বজাই ৰাখিবলৈ আই চি চি বদ্ধ পৰিকৰ বুলি স্পষ্ট কৰি দিয়া হৈছে।

০০০০০

সমাপ্ত